অসম

বিশিষ্ট সাংস্কৃতিক কর্মী তথা দূৰদৰ্শনৰ অনুষ্ঠান কাৰ্যবাহী চন্দন পাঠকৰ দেহাৱসান, শোকৰ ছাঁ

ডিব্রুগড়ৰ সামাজিক সাংস্কৃতিক কর্মী ডিব্রুগড় দূৰদৰ্শন কেন্দ্রৰ অনুষ্ঠান কার্য্যবাহী চন্দন পাঠকৰ মৃত্যু: শোকৰ ছাঁ

প্রকাশ: ২৪ নৱেম্বৰ ২০২৬, নিশা ৮:০২



(আইনুল আহমেদ)

ডিব্রুগড়ৰ সামাজিক- সাংস্কৃতিক ক্ষেত্রখনত শোকৰ ছাঁ পেলাই আজি দুপৰীয়া পৰলোকপ্রাপ্তি ঘটিছে বিশিষ্ট সাংস্কৃতিক- সামাজিক সংগঠক, জ্যেষ্ঠ শিল্পী তথা দূৰদর্শন কেন্দ্রৰ অনুষ্ঠান কার্য্যবাহী চন্দন পাঠকৰ। হৃদযন্ত্রৰ ক্রিয়া বন্ধ হৈ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে চন্দন পাঠকে। মৃত্যুৰ পূর্বৰ নিশালৈকে এখন ধাৰাবাহিকৰ দৃশ্যগ্রহণত ব্যস্ত আছিল তেওঁ। এগৰাকী কর্মোদ্যমী, নিষ্ঠাৱান আৰু সুদক্ষ সংগঠক পাঠক সামাজিক, সাংস্কৃতিক আৰু সাংবাদিকতাৰ প্রতিটো ক্ষেত্রতে নিজৰ কর্মদক্ষতা আৰু সৃষ্টিশীল অৱদানৰ জৰিয়তে সুকীয়া পৰিচয় গঢ়ি তুলিছিল।ডিব্রুগড়ৰ কেবাটাও সামাজিক সাংস্কৃতিক অনুষ্ঠানৰে লগত জড়িত পাঠক শিল্পী সমাজৰ সভাপতি, ডিব্রুগড় শ্রুতি শিল্পী সমাজৰ সাধাৰণ সম্পাদক আৰু মঞ্চৰূপাৰ সভাপতি হিচাপে দায়িত্ব পালন কৰিছিল। যিকোনো অনুষ্ঠান নিয়াৰিকৈ আৰু দায়িত্বসহকাৰে পৰিচালনা কৰাৰ বিশেষ দক্ষতা আছিল তেওঁৰ। শদিয়াৰ পৰা ধুবুৰীলৈকে তেওঁৰ কর্মৰাজি আৰু সাংস্কৃতিক অৱদানৰ এক সুকীয়া পৰিচয় আছিল।

সুধাকণ্ঠ ড□ ভূপেন হাজৰিকা আৰু প্রাণৰ শিল্পী জুবিন গার্গৰ স্মৃতি আৰু আদর্শ নৱপ্রজন্মৰ মাজত জীয়াই ৰখাৰ ক্ষেত্রত তেওঁ গ্রহণ কৰা পদক্ষেপ আছিল উল্লেখনীয়। পাঠকে বিভিন্ন অনুষ্ঠানৰ জৰিয়তে নতুন প্রজন্মক সাংস্কৃতিক চেতনাৰে উদ্বুদ্ধ কৰাৰ প্রয়াস কৰিছিল ।জ্যেষ্ঠসকলক যথোচিত সন্মান আৰু নতুন প্রজন্মক উৎসাহিত কৰি আগুৱাই নিয়াৰ ক্ষেত্রতো তেওঁৰ আছিল বিশেষ মানসিকতা। তেওঁৰ এই কর্মস্পৃহা আৰু সাংগঠনিক দক্ষতা সদায় স্মৰণীয় হৈ ৰ’ব।

চন্দন পাঠকৰ আকস্মিক বিয়োগত শোক প্রকাশ কৰি প্রসিদ্ধ সংগীতজ্ঞ প্রশান্ত বৰদলৈয়ে কয় যে তেওঁ আছিল সামাজিক-সাংস্কৃতিক জগতৰ এক উজ্জ্বল ব্যক্তিত্ব। তেওঁৰ অনুপস্থিতিয়ে ডিব্রুগড়ৰ সাংস্কৃতিক জগতখন ম্লান কৰিব।ডিব্রুগড় অনাতাঁৰ আৰু দূৰদর্শন কেন্দ্রৰ অৱসৰপ্রাপ্ত বিষয়া লোহিত ডেকাই চন্দন পাঠকৰ মানৱীয় গুণ,সংগীতৰ প্রতি থকা অনুৰাগ আৰু নিঃস্বার্থ সেৱাৰ কথা স্মৰণ কৰি গভীৰ শোক প্রকাশ কৰে।

মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ডিব্রুগড়ৰ বৈৰাগীমঠস্থিত বাসগৃহত শিল্পী, সাহিত্যিক, সাংবাদিককে ধৰি বিভিন্ন ক্ষেত্রৰ বিশিষ্ট ব্যক্তিসকল সমবেত হৈ শেষ শ্রদ্ধা জ্ঞাপন কৰে। বিভিন্ন দল-সংগঠন আৰু গুণমুগ্ধসকলেও তেওঁৰ বিয়োগত গভীৰ শোক প্রকাশ কৰিছে।চন্দন পাঠকৰ বিয়োগ কেৱল ডিব্রুগড়ৰে নহয়, অসমৰ সামাজিক-সাংস্কৃতিক ক্ষেত্রখনৰ বাবেও এক অপূৰণীয় ক্ষতি।

১৯৬৮ চনত ডিব্রুগড়ত জন্মগ্রহণ কৰা চন্দন পাঠক ডিব্রুগড়ৰ ডনবস্ক' পৰা মেট্রিক, তাৰ পিছত যোৰহাটৰ প্রিন্স অৱ ৱেলছত অভিযন্তাৰ পাঠ্যক্রম আৰু পৰৱর্তী সময়ত ডিব্রুগড় কানৈ মহাবিদ্যালয়ৰ বি এ ডিগ্রী লৈ পৰৱর্তী সময়ত দূৰদর্শনত চাকৰি কৰে আৰু দূৰদর্শন কেন্দ্রত মাত্র দুটা বছৰ পাছত অৱসৰ গ্রহণ কৰিবলগীয়া আছিল।

তেওঁৰ আকস্মিক বিয়োগত ডিব্রুগড়ৰ সাংস্কৃতিক, সামাজিক আৰু সাংবাদিক মহলত গভীৰ শোকৰ সৃষ্টি হৈছে।

মৃত্যুৰ সময়ত পত্নী বন্দনা পাঠক, দুগৰাকী কন্যা কৃষ্ণাংগী পাঠক আৰু কৃষ্ণালী পাঠকৰ লগতে পৰিয়ালৰ অনেক আত্মীয়- গুণমুগ্ধক ইহ সংসাৰত এৰি যায়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6028/bisist-sangskritik-kormi-totha-durodorsonor-anusthan-karyobahi-sondon-pathokor-d